মোক নৰকলৈ ফুচুলাবলৈ এই নাৰীৰূপী আপদে
মোৰ হিতকাৰী দেৱদূতজনক প্ৰলোভন দেৱায়...

কবি অৱশ্যে বন্ধুজনৰ নিৰ্ম্মলতাত সদায় আস্থাবান, সকলো জগৰ এই মিঠামুখীয়া টেঙৰ তিৰোতাজনীৰ ওপৰতহে। এই প্ৰেম আৰু বন্ধুতাৰ সূতাত কবিয়ে আশা-নিৰাশা, অনুৰাগ-ঈৰ্ষা, জীৱন-মৰণ, নশ্বৰতা-খ্যাতি আদি বিষয়ৰ ভাব বঢ়িয়াকৈ গাঁথিব পাৰিছে। তেওঁ এঠাইত কৈছে—"মোৰ কবিতাৰ নতুন গৰ্ব্ব নাই কিয়? তাত বিচিত্ৰতা বা নতুনত্ব নাই কিয়? নতুন ৰীতি বা পৰীক্ষাৰ লগত ই পৰিচিত নহয় কিয়?...মই সদায় তোমাক লক্ষ্য কৰিয়ে লিখোঁ—প্ৰেম আৰু তুমিয়ে মোৰ ৰচনাৰ বিষয়। সেই কাৰণেই মই পুৰণি কথাকে নতুন সাজত উলিয়াই দিওঁ।" (৭৬ নম্বৰ)। এইবিলাক উক্তিত ব্যক্তিগত ভাবৰ সবল প্ৰকাশ থকা যেন লাগে।

এই সুৰূপ উচ্চবংশীয় ডেকাজন কোন, এইবিষয়ে প্ৰশ্ন তোলা হৈছে। ওভিডৰ প্ৰভাৱত ৰচা 'ৰেইপ্ অব লুক্ৰিচ' বা লুক্ৰিচ-হৰণ কবিতা উছৰ্গা কৰা হয় চাউথ্এমটনৰ আৰ্ল হেন্ৰি ৰিওডেচ্লিক; সমালোচকসকলে চনেটবিলাক উছৰ্গিত হোৱা Mr. W. H.-অকো হেন্ৰি ৰিওডেচ্লি বুলিয়ে সিদ্ধান্ত কৰে। এই ডেকাজনেই কবিৰ অন্তৰৰ বন্ধু হোৱা অসম্ভৱ নহয়। আনহাতে, হেনৰি ৰিওডেচ্লিৰ মাকে তৃতীয়বেলি বিয়া কৰোৱা স্বামী উইলিয়াম হাৰ্ভিয়ে এইবিলাক ঘৰত বিচাৰি পাই প্ৰকাশযোগ্য বুলি বিবেচনা কৰিলে আৰু ছপোৱাৰ ব্যৱস্থা কৰিলে—এইবুলিয়ে শ্বেক্‌ছপিয়াৰে তেওঁক 'একমাত্ৰ জন্মদাতা' (the onlie begetter) আখ্যা দি কিতাপখন উছৰ্গা কৰিছে, এনে সিদ্ধান্তও দুই-এক পণ্ডিতে দিয়ে। চনেটবিলাক প্ৰথমে হাতে লিখা অৱস্থাতে আছিল। পিচত ১৬০৯ চনত গোটাই ছপোৱা হয়।

---

এনে নহয়। আইভৰ ব্ৰাউনে বিশ্লেষণ কৰি দেখুৱাইছে যে এই ধৰণৰ চেহেৰা থকা এক চঞ্চলাৰ প্ৰভাৱ শ্বেক্‌ছপিয়াৰৰ কেইবাখনো নাটকত লক্ষ্য কৰিব পাৰি, যেনে 'ৰোমিও এণ্ড জুলিয়েট'ৰ ৰোজেলিন

## ( ৬ )

নাটবিলাকত বিভিন্ন চৰিত্ৰৰ মুখত বিভিন্ন দৃষ্টিভঙ্গী থকা বচন পোৱা যায়; এইবিলাকত কেতিয়াবা নাট্যকাৰৰ নিজৰ চিন্তা বা সিদ্ধান্ত প্ৰকাশ হোৱা যেন লাগে। কিন্তু প্ৰতি চৰিত্ৰই সজীৱ, স্বকীয়া; প্ৰতি চৰিত্ৰই অৱস্থাৰ তাড়নাত বা নিজৰ প্ৰকৃতি অনুসৰি বেলেগ বেলেগ উক্তি কৰে। অৱশ্যে এইখিনি কব পাৰি যে জুলিয়েটৰ নিৰ্ম্মল হিয়াত যি অনুৰাগ, ক্লিওপেট্ৰাৰ পৰিপক্ক শৰীৰত কামনাৰ যি তাড়না, ক্ৰেছিডাৰ প্ৰকৃতিত যি বিশ্বাসঘাটকতাৰ আঁচ, আনহাতে হেমলেটৰ ব্যক্তিত্ব আৰু চিন্তাত যি মাৰ্জিত গুণ, যি গাম্ভীৰ্য্য, ব্ৰুটাছৰ চৰিত্ৰত যি আদৰ্শবাদ, বা বুঢ়া লিয়াৰৰ প্ৰকৃতিত যি আগ্নেয়গিৰিৰ উদ্গীৰণ—এইবিলাক বোধ কৰি ৰূপায়িত কৰিবলৈ শ্বেক্‌ছপিয়াৰৰ জীৱন আৰু প্ৰকৃতিতো তেনে সম্ভাৱনা কিছু পৰিমাণে থাকিব লাগিব। "কিছু পৰিমাণে" বুলি কৈছোঁ এই কাৰণেই যে প্ৰতিভাশালী লিখকে বহুতো অভিজ্ঞতা সমবেদনা আৰু পৰ্য্যবেক্ষণৰ সহায়ত আয়ত্ত কৰি লয়। সাধাৰণ মানুহে দুচকুৰে দেখিলে তেওঁলোকে চাৰি চকুৰে দেখে। ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰমতে কবিয়ে 'প্ৰজাপতি' অৰ্থাৎ স্ৰষ্টা। শ্বেক্‌ছপিয়াৰৰ বিষয়ে এইখিনি কব পাৰি যে পাতল ৰসৰ পৰা শিৰাই শিৰাই স্পন্দন তোলা কবিতালৈ, বিলাসী জীৱনৰ প্ৰগল্‌ভতাৰ বৰ্ণনাৰ পৰা অন্তৰ কঁপাই তোলা ভয়াবহ অভিজ্ঞতাৰ চিত্ৰণলৈ তেওঁ হেলাৰঙে সঞ্চাৰ কৰিব পাৰিছিল। 'টোৱেলফ্‌থ্‌ নাইট'ৰ দৰে ৰঙ্গনাট আৰু 'হেমলেট'ৰ দৰে ট্ৰেজেডি সম্ভৱ তেওঁ একেবছৰতে ৰচনা কৰিছিল।

ইমান ডাঙৰ লিখক হৈয়ো শ্বেক্‌ছপিয়াৰে কোনো বিশেষ দৰ্শন অনুসৰণ নকৰিছিল। "আমি জনাতকৈ বহুতো বেছি ৰহস্য স্বৰ্গ আৰু মৰ্ত্ত্যৰ মাজত আছে"—বুলি তেওঁ 'হেমলেট'ত উক্তি কৰিছে যদিও এই ৰহস্যবিলাক কি তাৰ আভাস তেওঁ দিয়া নাই। ধৰ্ম্ম,

ঈশ্বৰ বা পৰজন্মৰ কথাও তেওঁ নকয়; তেওঁৰ মানত মৃত্যুৱে যেন সকলোবে সামৰণি। ওপৰত কৈ আহিছোঁ যে চৰিত্ৰবিলাকে ভিন ভিন অৱস্থাৰ তাড়নাত ভিন ভিন উক্তি কৰে; এই উক্তিবিলাক তেওঁৰ ব্যক্তিগত বিশ্বাসৰ পৰা ওলোৱা বুলিও কৰলৈ টান। তেওঁ ইব্‌ছেন, বাৰ্ণাৰ্ড শ্ব আদি নাট্যকাৰৰ দৰে আমাক শিক্ষা দিবলৈ প্ৰয়াস পোৱা নাই। তেওঁৰ নাটকত দৈনন্দিন জীৱনত লাগতিয়াল কাণ্ডজ্ঞানৰ সমল ওলায়—যেনে, 'ধাৰ নকৰিবা, ধাৰে নিদিবা', কিন্তু এইয়া জ্ঞান বা দৰ্শন নহয়। সুশৃঙ্খল চিন্তাৰ পৰিচয় শ্বেক্‌ছপিয়াৰত নাই। তেওঁ জীৱনৰ সমগ্ৰতাৰ ছবি দাঙি ধৰিয়ে সন্তুষ্ট আছিল, মন্তব্য বা নিৰ্দ্দেশ দিবলৈ যোৱা নাই।

এইদৰে হয়তো ক'ব পাৰি যে তেওঁ একেবাৰে নিকৃষ্ট জঘন্য প্ৰকৃতিৰ মানুহ চিত্ৰণ কৰা নাই বা কৰিলেও সিহঁতৰ জয় দেখুৱাও নাই। ইয়াৰ দ্বাৰা মানৱৰ সম্ভাৱনাত তেওঁৰ আস্থা থকা যেন লাগে। হেমলেট, লিয়াৰ আদিৰ দুৰ্গতি আৰু যাতনাৰ ছবিয়ে আমাৰ মনত যথেষ্ট কষ্ট দিয়ে আৰু ভাব হয় মানুহৰ জীৱন এনেকুৱাই নে? কিন্তু এওঁলোকৰ প্ৰকৃতিত সংযমৰ অভাৱ, আৰু একোটি দুৰ্ব্বলতাই তেওঁলোকক বিপদৰ চাকনৈয়ালৈ ঠেলি দিয়ে। তাৰ পিচত তেওঁলোকৰ অশেষ যাতনা হয় আৰু যাতনাৰ উপৰিও কিছু পৰিমাণে থাকে দৈৱ বা অদৃষ্ট। কিবা এক ৰহস্যময় শক্তিয়ে মানুহক যাতনাৰ চাকনৈয়াত ককৃবক খুৱায়। ধ্বংসৰ আগ-মুহূৰ্ত্ততে অৱশ্যে চৰিত্ৰবিলাকে জ্ঞানৰ জেউতি লাভ কৰে আৰু যথেষ্ট প্ৰশান্তিৰেই মৃত্যুক আঁকোৱালি ধৰিব পাৰে। এই অদৃষ্টই মানুহক জোখতকৈ সৰহ কষ্ট দিয়ে, আৰু এই কথাৰ উপলব্ধিয়ে সম্ভৱ শ্বেক্‌ছপিয়াৰক এক গভীৰ বেদনাবোধ দিছে; কিন্তু শ্বেক্‌ছপিয়াৰৰ যদি কিবা দৰ্শন আছে তাত খ্ৰীষ্টধৰ্ম্মৰ আঁচ নাই; অৱশ্যে তেওঁৰ ৰচনাত বাইবেল অধ্যয়নৰ পৰিচয় পোৱা যায়।

শ্বেক্‌ছপিয়াৰ নৱাভ্যুদয় যুগৰ শিশু। এই যুগত পুৰণি মধ্যযুগৰ

বিশ্বাস-কুসংস্কাৰৰ পটভূমিত নতুন ৰাজনৈতিক আদৰ্শ, নতুন বিত্তাৰ অনুশীলন, ভূগোলসম্বন্ধে জ্ঞানৰ পৰিসৰ বৃদ্ধি, মানবৰ শক্তিসম্বন্ধে নতুন সম্ভাৱনা, ধৰ্ম্মীয় গোড়ামিৰ হ্ৰাস, আদি কিছুমান লক্ষণ দেখিবলৈ পোৱা যায়। চিন্তাৰ ক্ষেত্ৰত বিশেষকৈ পুৰণি গ্ৰীচৰ চিন্তাবীৰ প্লেটো আৰু এৰিষ্টোটল, ইটালিৰ লিখক চিচেৰো, প্লুটাৰ্ক, চেনেকা আদিৰ প্ৰভাৱ সুস্পষ্ট। এই সময়তে ব্যক্তিবাদ বা ইন্‌ডিভিজুৱালিজ্‌মৰো সম্ভাৱনা ওলায়, কিয়নো ইউৰোপৰ ব্যৱসায়ী শ্ৰেণীয়ে এই সময়তে উদ্‌গতি কৰে। পুৰণি লিখকৰ চিন্তা ঘাইকৈ লেটিন, ফৰাচী ভাষা আদিৰ জৰিয়তে প্ৰচাৰ হয়; অনুবাদো অলেখ ওলায়। ইটালি আদি দেশত ভ্ৰমণ কৰিও মানুহে অভিজ্ঞতা লৈ আহে। শ্বেক্‌ছপিয়াৰৰ ৰচনাত লেটিন আৰু ইটালীয় সাহিত্যৰ ছাঁ লক্ষ্য কৰিব পাৰি; তেওঁৰ বহুতোখিনি আখ্যান ইটালীয় সাধুৰ পৰা সংগ্ৰহ কৰা। সৌন্দৰ্য্যৰ প্ৰতি যি এটি পূজাৰ ভাৱ আৰু বন্ধুতাৰ যি গৌৰৱ শ্বেক্‌ছপিয়াৰত দেখা যায় সি ঘাইকৈ প্লেটোৰ চিন্তাৰ পৰোক্ষ প্ৰভাৱ। শ্বেক্‌ছপিয়াৰে এহাতে যুক্তি বা বিচাৰক ওখ ঠাই দিছিল, আনহাতে প্ৰেতাত্মা পৰী আদিতো বিশ্বাস ৰাখিছিল; এহাতে অসীম ব্যক্তিত্বশালী পুৰুষৰ চৰিত্ৰ অঙ্কন কৰিছিল, আনহাতে মানুহৰ কৰ্ম্মৰ গতি যে দৈৱই নিয়ন্ত্ৰণ কৰে আৰু ৰক্তপাত কৰিলে যে সেই পাপৰ ফল ভোগ কৰিবই লাগিব এনে মধ্যযুগীয় বিশ্বাসৰ হাতো সাৰিব নোৱাৰিছিল।

কালৰ শিশু হৈও শ্বেক্‌ছপিয়াৰে সকলো যুগতে সকলো দেশতে অসীম জনপ্ৰিয়তা আৰ্জ্জন কৰিবলৈ সক্ষম হৈছে। তেওঁৰ সমসাময়িক পণ্ডিত আৰু নাট্যকাৰ জন্‌ছনৰ ভাষাত "তেওঁ এযুগৰ নহয়, সকলো সময়ৰ কাৰণে"। সেই সময়ত আন আন প্ৰতিভাশালী নাট্যকাৰো আছিল, কিন্তু শ্বেক্‌ছপিয়াৰৰ শ্ৰেষ্ঠতা কিহত? তেওঁ ইংৰাজী নাটকক এটি স্বাধীন আৰু পৰিপক্ক গঢ় দিলে। তেওঁৰ চৰিত্ৰ-অঙ্কন ক্ষমতা অনুপম। প্ৰতিখন নাটকৰ বিশ-বাইশটা দৃশ্যত তেওঁ ঘাই চৰিত্ৰ-

বিলাকক বিভিন্ন পৰিস্থিতিত দেখুৱাই তেওঁলোকৰ প্ৰতিক্ৰিয়া সূক্ষ্মভাবে বিশ্লেষণ কৰে, অথচ নাটকৰ প্ৰৱাহ অটুট ৰয়। জীৱনত যি এটি গতি, যি এটি অনিৰ্দ্দিষ্টতা লক্ষ্য কৰা যায় সেই গতি আৰু অনিৰ্দ্দিষ্টতা তেওঁৰ চৰিত্ৰৰো বৈশিষ্ট্য। চৰিত্ৰৰ লক্ষণবিলাক গুৰিৰ পৰা শেহলৈকে একে নাথাকে, অৱস্থাৰ লগত খাপ খাই তেওঁলোকৰ ব্যক্তিত্বৰ পৰিসৰ বাঢ়ি যায়। হেমলেটৰ চৰিত্ৰৰ জটিলতা লক্ষ্য কৰি এনে প্ৰশ্নও কৰা হৈছে—বোলে নাট্যকাৰে নিজে এই চৰিত্ৰ বুজিব পাৰিছিলনে? শ্বেক্‌ছপিয়াৰৰ দ্বিতীয় গৰিমা এই যে তেওঁৰ ৰচনাত যি এটি সজীৱতা আছে—যি আমাৰ কৌতূহল অনবৰত সজাগ ৰাখে, সেই সজীৱতা আজিও অটুট হৈ ৰ'ব পাৰিছে। যিমানেই তেওঁক অধ্যয়ন কৰা হয় সিমানেই তেওঁৰ সাৰ্থকতা সৰহকৈ পোৱা যায়। কোনো তথ্যৰ দ্বাৰা বিশেষকৈ প্ৰভাৱান্বিত নহৈ, জীৱনৰ সমগ্ৰতা স্বীকাৰ কৰি, কাব্যিক আৰু বাস্তৱৰ অপূৰ্ব্ব সমন্বয় সাধি, শিক্ষিত অশিক্ষিত সকলোকে সমানে বা বিভিন্ন ধৰণে ৰসগ্ৰহণৰ সুযোগ দি, এই চাৰিশবছৰীয়া পুৰণি নাট্যকাৰজন আজিও বিস্ময়ৰ সামগ্ৰী হৈ আছে।

শ্বেকছপিয়াৰ তেওঁৰ সমসাময়িক নাট্যকাৰ বেন জনছন, ৱেবষ্টাৰ আদিৰ দৰে ঘাইকৈ নাট্যকাৰহে, তথাপি কবিহিচাবেও তেওঁৰ স্থান অতি ওপৰত। অকল চনেট আৰু কাব্য ৰচা কাৰণেই তেওঁৰ কাব্যিক খ্যাতি নহয়, নাটকৰ একো একোটা সাধাৰণ শাৰী তেওঁ এনেভাবে স্পন্দিত কৰি তুলিছে নাইবা মানবৰ একো একোটি জটিল অভিজ্ঞতাৰ এনে অপূৰ্ব্ব সংকেত দিছে যে এই কৃতিত্বৰ ওপৰতহে তেওঁক বহুত সময়ত শ্ৰেষ্ঠ কবিও আখ্যা দিয়া হৈছে। তেওঁৰ ৰচনাৰ অৰ্থৰ চাপ সময়ত অকাধিক—এফালে সি আখ্যান আগবঢ়াই নিছে, আনফালে দিছে চৰিত্ৰ এটিৰ প্ৰতিক্ৰিয়াৰ আভাস, তাৰ উপৰি সৰ্ব্বদেশীয় মানবৰ ভাব-অনুভৱৰো সংকেত তাত নোহোৱা নহয়। নাটকীয় পটভূমিৰ লগত সাঙোৰ খাই আছে তেওঁৰ কাব্য-প্ৰতিভা।

( ৭ )

শ্বেক্‌ছপিয়াৰ কিদৰে বৰ্ত্তমান যুগৰ এক সৰ্ব্বজনবিদিত লিখক-হিচাবে পৰিগণিত হৈছেহি সেই বিষয়ে অলপ নোকোৱাটো অন্যায় হয়। এই বছৰৰ এপ্ৰিল মাহত ষ্ট্ৰেটফোৰ্ড চহৰত এই নাট্যকাৰজনৰ চাৰিশবছৰীয়া জন্মদিন মহা পয়োভৰেৰে পালন কৰা হ'ল। পণ্ডিত-সকলে তেওঁৰ বিষয়ে চৰ্চ্চা কৰিলে, অভিনেতাসকলে তেওঁৰ নাট মঞ্চস্থ কৰিলে আৰু লিখক আৰু সাংবাদিকসকলে উলিয়ালে কিতাপ আৰু প্ৰবন্ধ। ষ্ট্ৰেটফোৰ্ডৰ আহিঁত পৃথিবীৰ আন বহুতো ঠাইত নাট্যকাৰজনক সম্মান জনাবলৈ চেষ্টা চলিল। বস্তুতঃ এই লিখকজনে যি গৌৰৱ আৰ্জ্জিবলৈ সক্ষম হৈছে তাৰ বিজনি নাই।

শ্বেক্‌ছপিয়াৰে তেওঁ জীয়াই থকা কালতে যথেষ্ট সম্মান লাভ কৰিছিল। তেওঁ যেতিয়া ষ্ট্ৰেটফোৰ্ডত নিগাজীকৈ থাকিবলৈ লয়, তেতিয়া তৰুণ লিখক দুই-একে আৰু আগৰ বন্ধুবান্ধৱেও তেওঁৰ খবৰ ৰাখিছিল। তেওঁৰ মৃত্যুৰ চৌধবছৰৰ পিচত ৰচিত কিতাপ এখনত ষ্টেটফোৰ্ড "বিখ্যাত উইলিয়াম শ্বেক্‌ছপিয়াৰৰ জন্মৰ কাৰণে অতি উল্লেখযোগ্য" এইবুলি কোৱা হৈছিল। কিন্তু কালৰ চকৰি ঘূৰে, সময়ৰ লগত ৰুচিৰো পৰিবৰ্ত্তন হয়। নতুন যুগত ওলায় নতুন নতুন লিখক; এই সকলৰ উখল-মাখলত আৰু সাময়িক ফেশ্যনৰ টোত গুণশালী লিখকো কেতিয়াবা অলপ দিনৰ কাৰণে হলেও পাহৰণিত বুৰ যায়। অষ্টাদশ শতিকাত সেইদৰে নতুন ভঙ্গীৰ নাটক ওলোৱাত শ্বেকছপিয়াৰৰ ৰচনা পুৰণিকলীয়া বুলি ধাৰণা এটি গঢ়ি উঠিবলৈ উপক্ৰম কৰিছিল। দুই এক পণ্ডিতে নাটকবোৰৰ ব্যাখ্যাও অদ্ভুত অদ্ভুত ধৰণে কৰিছিল। এক সমালোচকে মন্তব্য কৰিছিল বোলে ওথেলো নাটকৰ কেন্দ্ৰত আছে কমাল হেৰোৱাৰ ঘটনা, সেই কাৰণে প্ৰিয়জনে উপহাৰ দিয়া কমাল যাতে নেহেৰায় তাৰহে চেষ্টা কৰা যুগুত। সেইদৰে যাতনা-ঘন 'কিং লিয়াৰ'ৰ সামৰণি দুঃসহ আৰু

দুৰ্বোধ্য বোধ কৰি নেহাম টেইট নামে এক পৰিবেশকে ট্ৰেজেডিখন মঞ্চস্থ কৰিছিল মিলনান্ত ৰূপত। অসমীয়া ভাষাত এইখনৰ ৰূপান্তৰ কি ধৰণে কৰা হৈছে লক্ষ্য কৰা যুগুত। তেওঁৰ নাটকবিলাক যে সুচাৰুভাৱে মঞ্চস্থ কৰি থাকিবৰ দৰ্কাৰ এই আহিঁ পোনতে দেখুৱায় ডেভিড গেৰিক নামে বিখ্যাত অভিনেতা এজনে। এওঁ ১৭৬৯ খৃষ্টাব্দত ষ্ট্ৰেটফোৰ্ড চহৰত এক উৎসৱৰ ব্যৱস্থা কৰে। উৎসৱত নাটকৰ অভিনয় দেখিবলৈ পোৱা নগ'ল যদিও হিলৈৰ আৱাজ, সমদল, ভোজ, আবৃত্তি আদিৰ জৰিয়তে স্থানীয় বাইজ আৰু অভ্যাগতসকলে মহান নাট্যকাৰজনৰ স্মৃতিত অৰ্ঘ্য যাচিলে। বৰষুণ আৰু এভন নদীৰ বানপানীয়ে অৱশ্যে কিছু আহুকাল ওপজাইছিল।

ষ্ট্ৰেটফোৰ্ডত স্থায়ী ৰঙ্গমঞ্চ নাছিল, আৰু এই অভাৱৰ কাৰণে নাট মঞ্চস্থ কৰোঁতে অসুবিধা ওলাইছিল যথেষ্ট। ১৮২৭ খৃষ্টাব্দত স্থায়ী ৰঙ্গমঞ্চ এটি স্থাপন কৰা হয়। ইতিমধ্যে ৰোমাণ্টিক যুগৰ সমালোচক লেম আৰু কোলৰিজৰ ৰচনা আৰু বক্তৃতায়ো শেক্‌ছপিয়াৰৰ সাহিত্যিক মূল্য প্ৰচাৰ কৰাত সহায় কৰিলে। জাৰ্ম্মানিতো শ্লেগেল আদি পণ্ডিতে মূল্যবান আলোচনাৰ জৰিয়তে শেক্‌ছপিয়াৰৰ প্ৰতিভাৰ বিবিধ লুটিলৈ পণ্ডিতসকলৰ মন আকৰ্ষণ কৰিলে। চেঁচা প্ৰকৃতিৰ জড় ইংৰাজসকলৰ মাজত যে শেকছপিয়াৰৰ দৰে প্ৰতিভা-শালী লিখকৰ জন্ম হব পাৰে এনে ধাৰণা কৰিবলৈ শ্লেগেলে টান পাইছিল। তেওঁ মন্তব্য কৰিছিল: "নিশ্চয় সেই কালত সিহঁতৰ মানবীয় বোধ আৰু কাব্যিক অনুভূতি এতিয়াতকৈ সৰহ আছিল।"

১৮৭৪ চনত শেক্‌ছপিয়াৰ সোঁৱৰণী সংস্থা নামে অনুষ্ঠান এটি গঠন কৰা হয়। এই অনুষ্ঠানে এভন নদীৰ পাৰত নতুন মঞ্চ এটি স্থাপন কৰে। এইটো ১৯২৬ চনত জুইয়ে পোৰাত চাৰিওফালৰ পৰা ধন সংগ্ৰহ কৰি—আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ পৰা অহা ধনেই সৰহ—এতিয়া দেখিবলৈ পোৱা শেক্‌ছপিয়াৰ সোঁৱৰণী ৰঙ্গমঞ্চ নামৰ ইটাৰ ঘৰটো আগৰ ঠাইতে ১৯৩২ চনত সাজি উলিওৱা হয়। ঘৰটো নদীৰ উত্তৰ

পাৰে, তিনিওফালে মুকলি ঠাই, পূবফালে এখন উদ্যান আৰু পশ্চিম-ফালে অলপ আঁতৰত হোলি ট্ৰিনিটি গীৰ্জ্জা। এই গীৰ্জ্জাতে শ্বেক্‌ছ-পিয়াৰৰ মূৰ্ত্তি আৰু কবৰ আছে। উদ্যানখনতো এটি মূৰ্ত্তি আছে। মূৰ্ত্তিটো ওখ ঢাপৰ ওপৰত আৰু তাৰ গুৰিত মাটিত চাৰিফালে আছে চাৰি সৰু মূৰ্ত্তি—দৰ্শন, ট্ৰেজেডি, কমেডি আৰু ইতিহাসৰ প্ৰতীকস্বৰূপ হেমলেট, লেডি মেকবেথ, ফলষ্টাফ আৰু প্ৰিঞ্চ হেল্‌-অৰ। এই গাৱাৰ স্মাৰক মূৰ্ত্তিটো সজোৱা হয় ১৮৮৮ খৃষ্টাব্দত।

এই নতুন ৰঙ্গমঞ্চটোতে ১৯৫৮ চনৰ জুলাই মাহত মই 'পেৰিক্লিজ' নাটকৰ অভিনয় চাইছিলোঁ।[১] আহল-বহল ঘৰটোত ইমান মানুহ হৈছিল যে মই একেবাৰে পিচত থিয় হৈ চাবলৈহে সুযোগ পাইছিলোঁ। ৰঙ্গমঞ্চৰ তৰফৰ পৰা নাট মঞ্চস্থ কৰাৰ উপৰিও বক্তৃতা আৰু আলোচনাৰ ব্যৱস্থা কৰা হয়। এইবিলাক কামত শ্বেক্‌ছ-পিয়াৰৰ জন্মস্থান, বৃটিঃশ কাউঞ্চিল, বাৰ্মিংএম বিশ্ববিদ্যালয় আদি অনুষ্ঠানে সহযোগিতা আগ বঢ়ায়। ষ্ট্ৰেটফোৰ্ডৰ মেছন ক্ৰফট্‌ নামে গৃহত থকা শ্বেক্‌ছপিয়াৰ ইনষ্টিটিউট নামৰ অনুষ্ঠানত নাট্যকাৰজনৰ বিষয়ে গৱেষণৰ চৰ্চ্চা কৰিবৰ ব্যৱস্থাও আছে।[২]

তাৰ উপৰিও, প্ৰত্যেক বছৰে গ্ৰীষ্মকালত ষ্ট্ৰেটফোৰ্ডত যি উৎসৱ পতা হয় তাত অভিনয় নাইবা বক্তৃতাৰ সোৱাদ লবলৈ দেশ-বিদেশৰ পৰা লোক উপস্থিত হয়গৈ। মোক কোৱামতে, ১৯৫৭ চনত হেনো অকল ভাৰতীয় লোকেই ন-শমানে ষ্ট্ৰেটফোৰ্ডত ভুমুকি মাৰিছিলগৈ। শ্বেক্‌ছপিয়াৰৰ জন্মস্থান বোলা ঘৰটোৰ ওপৰমহলাত এটা শকত বহী থাকে, ইয়াত তালৈ যোৱা লোকসকলে নিজৰ নাম লিখি থয়।

বৰ্ত্তমান সময়ত শ্বেক্‌ছপিয়াৰৰ ৰচনা অকল ইংৰাজী ভাষাভাষী

---

১ ৰঙ্গমঞ্চটোৰ বৰ্ত্তমান নাম ৰয়েল শ্বেকছপিয়াৰ থিয়েটাৰ বা ৰাজকীয় শ্বেকছপিয়াৰ ৰঙ্গমঞ্চ।

২ শ্বেকছপিয়াৰ সম্পৰ্কে আটাইতকৈ সৰহ নথি-পত্ৰ আৰু কিতাপ পায় আমেৰিকাৰ ৱাশিংটনৰ ফলগাৰ লাইব্ৰেৰিত।

ছাত্ৰইয়ে যে অধ্যয়ন কৰিব লাগে এনে নহয়, ভাৰতবৰ্ষ আদি দেশতো ই ছাত্ৰৰ পাঠ্য। অকল নাটক পঢ়িয়ে নিস্তাৰ আছেনে? ইংলণ্ড, আমেৰিকা, জাৰ্মানি আদি দেশৰ পণ্ডিতসকলে শ্বেকছপিয়াৰ সম্বন্ধে কি লিখিছে, কি নতুন তথ্য উলিয়াইছে সেইবিলাকো আয়ত্ত কৰিবৰ দৰ্কাৰ। এই পণ্ডিতসকলৰ কোনোজন নাটবিলাকৰ মূল পাঠৰ শুদ্ধাশুদ্ধ বিষয়ৰ ওজা, কোনোজন ছন্দ নাইবা প্ৰতীকৰ বিশেষজ্ঞ, কোনোজন চৰিত্ৰবিশ্লেষণত পাৰ্গত, কোনোজন বা শ্বেক্‌ছ-পিয়াৰৰ কালৰ নাট্যমঞ্চসম্পৰ্কে অভিজ্ঞ, আন এজনে হয়তো নাট্যকাৰৰ জীৱনীৰ নতুন সমলেই উলিয়াইছে।……এইদৰে বৰ্ত্তমান যুগত শ্বেক্‌ছপিয়াৰ অনুশীলন হৈ পৰিছে এক বৃহৎ শিল্প।


শ্বেক্‌ছপিয়াৰৰ ৰচনা-পদ্ধতি নাইবা চৰিত্ৰ-চিত্ৰণৰ আৰ্হিয়ে দেশ-বিদেশৰ নাট্যসাহিত্যতো প্ৰভাৱ পেলাইছে। অসমীয়া ভাষা-লৈকেই এক ডজনমান নাটক ৰূপান্তৰিত হৈছে—এইবিলাক যথাযথ অনুবাদ নহয়—আৰু ইয়াৰ দুই-চাৰিখনৰ অভিনয় বাইজে দেখিব-লৈয়ো পাইছে। বেজবৰুৱাৰ ‘লাচিত বৰফুকন’ নাটকৰ গজপুৰীয়া চৰিত্ৰ সজা হৈছে ফলষ্টাফৰ অনুকৰণত আৰু এই চৰিত্ৰই নাটকৰ উদ্দেশ্য কিছু ব্যাহতো কৰিছে।

ভাৰতবৰ্ষইয়ো যে পৰোক্ষভাবে শ্বেকছপিয়াৰক সমল যোগাইছে এই সংবাদে দুই-চাৰিক আচৰিত কৰিব পাৰে। ‘মাৰ্চ্চেণ্ট অব ভেনিচ’ত (বনিজ কোঁৱৰ) প্ৰতিজ্ঞা ৰাখিব নোৱাৰা কাৰণে যি এক পাউণ্ড বুকুৰ মঙহ দিয়াৰ কথা আছে তাৰ বীজ হ’ল শিৱি-জাতক। ‘কিং লিয়াৰ’ (অশ্ৰুতীৰ্থ) নাটকত পিতৃয়ে নিজৰ জীয়েকৰ মৰম পৰীক্ষা কৰা যি কথা আছে তাৰ অনুৰূপ সাধু বঙ্গদেশ আৰু অসমত এতিয়াও পায়। পণ্ডিতসকলে ‘মাৰ্চ্চেণ্ট অব ভেনিছ’ৰ কৌটা-পৰীক্ষা আখ্যানভাগটিও ভাৰতীয় বুলিয়ে কয়। সেই যুগৰ ৰচনাত ভাৰতত প্ৰচলিত “আপ ৰুচি খানা পৰ ৰুচি পহনা” এনে প্ৰবাদৰ সুস্পষ্ট প্ৰতিধ্বনিও লক্ষ্য কৰিব পাৰি।

শ্বেক্‌ছপিয়াৰৰ নাট মঞ্চস্থ কৰিলে কি ধৰণে কৰা হয় সেই বিষয়ে অলপ কোৱা যুগুত। অষ্টাদশ শতিকাত দুই এক পৰিবেশকে নাটবিলাক কাটকুট কৰি—বহুত সময়ত তাত অভিনব ব্যাখ্যা আৰোপ কৰি—মঞ্চস্থ কৰিছিল। আজিৰ যুগত শ্বেক্‌ছপিয়াৰৰ নাট্যজ্ঞানৰ ওপৰত ইমান শ্ৰদ্ধা যে পৰাপক্ষত তেওঁৰ নাটকত হাত দিয়া নহয়; তেওঁ কি উদ্দেশ্যেৰে নাট ৰচনা কৰিছিল, নাইবা চৰিত্ৰবোৰ কি গঢ়ত সাজি উলিয়াইছিল তালৈহে প্ৰথমে লক্ষ্য দিয়া হয়। ছিন আদিও ব্যৱহাৰ নহয় বুলিব পাৰি, মাথোন নাটকৰ ঘটনা নাইবা মূল ভাবৰ গতি ব্যাহত নকৰাকৈ অভিনয় কৰিবলৈ যি দুই-এপদ বস্তু লাগে তাকেহে দেখিবলৈ পোৱা যায়। অৰ্থাৎ ষোড়শ শতিকাৰ মঞ্চ যি ধৰণৰ আছিল, যিমান দূৰ পাৰি সেইধৰণৰ মঞ্চকে আৰ্হি কৰি লোৱা হয়। লণ্ডনৰ ৰিজেণ্টছ পাৰ্ক অঞ্চলৰ মুকলি-মঞ্চত গধূলি খোলা ঢাপ এটাৰ ওপৰত 'এজ ইউ লাইক ইট' অভিনয় কৰা দেখিবলৈ পাইছিলোঁ। ঢাপটোৰ পিচফালে গছ-গছনি আছিল আৰু চৰিত্ৰ-বিলাক ওলাই আহিছিল তাৰ আঁৰৰ পৰাই। অৱশ্যে বৰ্ত্তমান যুগৰ বিজুলীচাকিৰ পোহৰৰ পৰা যে শ্বেক্‌ছপিয়াৰীয় অভিনয় লাভৱান হৈছে এই কথা অস্বীকাৰ কৰিব নোৱাৰি।

আৰু এটা কথা উল্লেখ কৰিব লাগে। শ্বেক্‌ছপিয়াৰীয় নাৰী-চৰিত্ৰৰ কাৰণে শৰীৰৰ আকৰ্ষণ প্ৰয়োজনীয় নহয়। ইয়াৰ এটি কাৰণ হ'ল নাৰীচৰিত্ৰ গুৰিতে ৰূপায়ণ কৰিছিল কোমলবয়সীয়া ল'ৰাই আৰু সিহঁতে এনে কিছুমান বচন মাতিব লগা হৈছিল যে সেইবোৰৰ ভাব বা অৰ্থ শৰীৰৰ অঙ্গীভঙ্গীৰে দেখুৱাব লগা হোৱা-হেঁতেন, চৰকাৰে ততালিকে অভিনয় নিষেধ কৰি দিলেহেঁতেন! প্ৰকৃততে, মিঠা মাত, সুস্বাস্থ্য, সজীৱ আচৰণ আৰু সুস্পষ্টকৈ বচন মাতিব পৰাৰ ওপৰতে নাৰীচৰিত্ৰ ৰূপ দিয়া ল'ৰাবিলাকৰ অভিনয়-নৈপুণ্য নিৰ্ভৰ কৰিছিল। ক্লিওপেট্ৰাৰ দৰে বয়সীয়া নাৰীৰ চৰিত্ৰ

ৰূপ দিবৰ সময়ত নিশ্চয় কিছু আহুকাল ওলাইছিল, কিয়নো তেৰ-চৌধবছৰীয়া ল'ৰাই এনে চৰিত্ৰ ৰূপায়ণ কৰিলে স্বাভাৱিক দেখা নাযায়। সেই কাৰণতে বায়েকহঁতকৈ কৰ্ডেলিয়াৰ চৰিত্ৰ, ৰাণী গাৰট্ৰুডতকৈ ওফিলিয়াৰ চৰিত্ৰ বেছি স্বাভাৱিকভাবে বা সহজভাবে ফুটাই তোলা সম্ভৱ হৈছিল। বৰ্ত্তমান সময়তো কোনো অভিনেত্ৰীয়ে কিবা চৰিত্ৰ ৰূপ দিব খুজিলে নিজৰ শৰীৰৰ মণ্ডহৰ আকৰ্ষণ গৌণ ৰাখি বচনবোৰৰ ওপৰত অধিক গুৰুত্ব দিয়ে।



ঙ রুশো

# ঝাঁ ঝাক ৰুছো

## (১)

অষ্টাদশ শতিকাত ফ্ৰান্সৰ ৰাজকীয় শাসনৰ অসাৰতা প্ৰমাণ কৰিবলৈ আগ বাঢ়ি কিছুমান চিন্তাশীল লিখকে সেই সময়ৰ ধৰ্ম্ম-ব্যৱস্থা, শাসনতন্ত্ৰ আৰু সামাজিক আচাৰৰ মূলত আঘাত কৰা ভাব প্ৰচাৰ কৰিবলৈ ধৰিলে। এই লিখকসকলৰ আগশাৰীত আছিল ভলটেয়েৰ, মটেস্ক্যা, ডিডেৰো, ডালেম্বেৰ আৰু ৰুছো। এওঁলোকৰ মাজত নীতিৰ মিল নাছিল ; কিন্তু যিসকলে বিচাৰ ( বিচাৰণা ) বা বীজনৰ জৰিয়তে সমাজৰ সমস্যাবিলাকৰ সমাধান হব বুলি ভাবিছিল সেইসকলৰ প্ৰতিনিধি আছিল ব্যঙ্গ-ৰচনাত পাকৈত ভলটেয়েৰ, আৰু অন্তৰৰ নিৰ্দ্দেশ বা আবেগৰ প্ৰাধান্য মানি চলাটোহে যুগুত বুলি যিসকলে ভাবিছিল সেই সকলৰ অগ্ৰণী আছিল ভাববিলাসী ৰুছো। অৱশ্যে সকলোবিলাক লিখকেই সামাজিক স্বাধীনতা, ধৰ্ম্মবিষয়ত সমতা, অভিজাত শ্ৰেণীৰ সা-সুবিধাবিলাকৰ লোপ, ন্যায় আৰু যুক্তিৰ ওপৰত নিৰ্ভৰ কৰা আইন, খাজনাৰ সমতা, সংবিধান থকা চৰকাৰ, আৰু ৰাষ্ট্ৰৰ একচেতীয়া ক্ষমতাৰ লোপ দাবী কৰিছিল।

১৭৬০ খ্ৰীষ্টাব্দত ৰুছোৰ 'লা নুভেল এলুইজ' নামৰ উপন্যাস প্ৰকাশ নোহোৱালৈকে মানুহে সাধাৰণতে বিচাৰণাৰ ওপৰতে নিৰ্ভৰ কৰিছিল। কোনোবাই যদি কয় যে এই সিদ্ধান্ত মই মোৰ নিজৰ মনতে পাইছোঁ, বা ই ঐশী বাণী, তেতিয়া বিচাৰণাই তাক অসত্য বা অসাৰ্থক বুলি আওকাণ কৰিছিল। তেতিয়াৰ চিন্তাশীল লোকে বিবেচনা কৰিছিল যে সকলো আচাৰ-বিশ্বাস, সমাজ আৰু ৰাষ্ট্ৰৰ নিয়ম-কানুন বিচাৰ বা যুক্তিৰ তুলাচনীত ওজন কৰা যুগুত। এই

দৃষ্টিভঙ্গীৰ সমুখত গীর্জ্জা আৰু ধৰ্ম্মশাস্ত্রৰ প্রাধান্য বা ৰাষ্ট্রৰ মইমতীয়া শক্তিৰ সার্থকতা বিচাৰি পাবলৈ টান হ'ল। এই বিশ্লেষণশীলতা আৰু বিচাৰৰ প্রয়োগ আটাইতকৈ সৰহ দেখা গ'ল ভলটেয়েৰৰ ৰচনাত। ধৰ্ম্ম-ব্যৱস্থা, সমাজ-ব্যৱস্থা, শিক্ষা-ব্যৱস্থা—সকলোৰে ক্রটীবিলাক ভলটেয়েৰে তেওঁৰ ব্যঙ্গ আৰু অন্যান্য ৰচনাৰে ইউৰোপৰ শিক্ষিত সমাজক মুকলিকৈ দেখুৱালে।

এই বিচাৰণাৰ পটভূমিকাত ভাববিলাস বা ৰোমান্টিছিজিমৰো সুঁতি এটি ব'বলৈ ধৰে; এই সুঁতিৰ উঁহ ঘাইকৈ ৰুছো। অষ্টাদশ শতিকাৰ শেহৰ ফালে ৰুছোৰ চিন্তাৰ প্রভাৱ অতি প্রবল। দার্শনিক-হিচাবে তেওঁৰ মূল্য সৰহ নহয়, কিন্তু তেওঁ আবেদন কৰিছিল বোধক—বুদ্ধিক নহয়, অন্তৰক—চিন্তাশক্তিক নহয়। তেওঁৰ অনুভূতিৰ তীব্রতা বা ছেন্‌ছিবিলিটিয়ে সকলোকে আকর্ষণ কৰিব পাৰিলে; সেইকাৰণেই দর্শন, ৰাজনীতি, সমাজ, শিক্ষা সকলোতে তেওঁ সাঁচ থৈ গ'ল।

( ২ )

নিজৰ জীৱনৰ কথা ঝাঁ ঝাক ৰুছোৱে তেওঁৰ লে কঁফেছ্যঁ বা আত্ম-জীৱনীত বহলাই লিখি থৈ গৈছে; কিন্তু ভাববিলাসী আৰু কল্পনাপ্রৱণ ৰুছোৱে সত্য যথাযথভাবে বৰ্ণাব নোৱাৰিছিল, অর্থাৎ তেওঁৰ আত্মজীৱনীত অতিৰঞ্জন যথেষ্ট। তেওঁৰ জন্ম হয় জেনেভাত, ১৭১২ চনৰ জুন মাহত। তেওঁৰ পিতৃৰ ঘড়ী সজা ব্যৱসায় আছিল, কিন্তু অৱস্থা ভাল নাছিল। ৰুছোৰ ফৰাচী উপৰিপুৰুষসকল যোড়শ শতিকাৰ মাজভাগত ছুইজার্লেণ্ডলৈ পলাই আহিছিল আৰু এই বংশৰ মানুহবিলাকৰ প্রকৃতিত যি এটি অস্থিৰতা আছিল সি জেনে-ভাৰ গোড়া কেল্‌ভিনিজিম ধৰ্ম্মৰ (প্রটেষ্টাণ্ট) পৰিবেশত খাপ

নাখাইছিল। ৰুছোৰ মাকৰ ফালৰ ককাকক সুৰা আৰু মাইকীয়ে বত্রিশ বছৰ বয়সতে ধ্বংস কৰে। ৰুছোৰ মাকেও বিয়াৰ আগেয়ে অলপ খিয়াতি আৰ্জ্জিবলৈ সক্ষম হৈছিল। পিতাক আইজাকে সম্মানজনক ঘড়ী-সজা বিত্তাত জীৱনৰ পাতনি মেলিছিল যদিও নৃত্যশিক্ষকতা ব্যৱসায় তেওঁ বেছি লোভনীয় পালে। বিয়া কৰোৱাৰ পাছতে তেওঁ ঘৈণীয়েকক এৰি কনষ্টান্টিনোপল পালেগৈ। আত্ম-জীৱনীত লিখামতে—"তেওঁ গিৰীয়েকক মাতি পঠিয়ালে। গিৰীয়েকে সকলো এৰি ঘৰ পালেহি। এই অশুভ পুনৰ্মিলনৰ ফল হৈছোঁ মই। দহমাহৰ পাছতে নৰিয়া আৰু লেছুকা শৰীৰেৰে মোৰ জন্ম হ'ল; মাৰ জীৱনৰ বিনিময়ত মই ৰলোঁ, আৰু মোৰ দুৰ্ভাগ্যবোৰৰ ভিতৰত মোৰ জন্মই হৈছে প্ৰথম।"

পেহীয়েকৰ হাতত ৰুছো ডাঙৰ হ'ল আৰু পিতাকৰ পৰা তেওঁ যথেষ্ট মৰম আৰু স্বাধীনতা পালে। "কোনেও মোক জোৰ কৰা নাছিল; কোনেও মোৰ ইচ্ছাত বাধা নিদিছিল।" এই আতোল-তোলকৈ ডাঙৰ কৰা ল'ৰাজনক পিতাকে গোটেই নিশা বীৰৰ কাহিনী, প্ৰেমৰ কাহিনী পঢ়ি শুনায়, সাধুকথা কয়। এই সময়ৰ কথা ৰুছোৱে এইদৰে বৰ্ণনা কৰিছে, "এইধৰণে অলপ দিনৰ ভিতৰতে মই অকল যথেষ্ট পঢ়িব আৰু বুজিব পৰা হোৱাই নহয়, মোৰ বয়সত অস্বাভাৱিক যদিও, মই আবেগবিলাকৰ বিষয়েও ভু পালোঁ।··· মই বুজা নাছিলোঁ একো—সকলো অনুভৱহে কৰিছিলোঁ। মই অনুভৱ কৰা অথচ বিশ্লেষণ কৰিবলৈ টান ভাববোৰে, এটিৰ পাছত এটিকৈ···মোক এক বিশেষধৰণৰ প্ৰতিভাৰে গঢ়িলে আৰু জীৱন-সম্বন্ধে বিস্ময়জনক আৰু ভাববিলাসী আভাস দিলে—যাক মোৰ অভিজ্ঞতা আৰু চিন্তায়ো এতিয়ালৈকে আঁতৰাব পৰা নাই।"

এই উক্তিয়ে ৰুছোৰ প্ৰকৃতি বিতোপনকৈ মুকলি কৰি দেখুৱায়। বিচাৰ আৰু ধৈৰ্য্যৰ অনুসৰণ কৰা ৰুছোৰ ধাতুত নাছিল, চিন্তাৰ সংযম বা শৃঙ্খলা তেওঁৰ নাছিল। তেওঁ অনুভৱ কৰিছিল গভীৰ-

ভাবে, আবেগময়ভাবে, সৰ্ব্বান্তঃকৰণে। এই অনুভৱ কেতিয়াবা সুন্দৰ আৰু আকৰ্ষণীয়, আন সময়ত আত্মম্ভৰিতাৰে ভৰা আৰু ৰুগীয়া মনৰ পৰিচায়ক। সি যি নহওক, বাৰবছৰ বয়সত স্কুলীয়া শিক্ষা ত্যাগ কৰি ৰুছোৱে বিবিধ ব্যৱসায়ত শিক্ষানবীছি কৰে। এই শিক্ষা-নবীছিৰ কালত তেওঁৰ গৰাকীৰ ৰূঢ় ব্যৱহাৰত ৰুছোৱে যথেষ্ট মনোকষ্ট পায়। ক'তো মন নবহাত তেওঁ ষোলবছৰ বয়সত জেনেভাৰ পৰা পলাই চেভয় পায়গৈ। তেওঁৰ অঘৰী জীৱন আৰম্ভ হ'ল। ভাত-কাপোৰৰ সংস্থান একো নথকাত তেওঁ কেথলিক পুৰোহিত এজনৰ গুৰি পায় আৰু কয় যে তেওঁ প্ৰটেষ্টাণ্ট পন্থ এৰি কেথলিক পন্থ গ্ৰহণ কৰিবলৈ ইচ্ছুক। পুৰোহিতজনে টিৰ্বৈৰ এক ধৰ্ম্মানুষ্ঠানত তেওঁক কেথলিক ধৰ্ম্মত দীক্ষা দিলে। এই ধৰ্ম্মান্তৰসম্বন্ধে ৰুছোৱ আত্ম-জীৱনীত এইদৰে মন্তব্য কৰিছে—"মই যি পবিত্ৰ কৰ্ম্ম কৰিবলৈ আগ বাঢ়িছোঁ সি যে প্ৰকৃততে ডকাইতৰ কাম সেই কথাৰ পৰা মই নিজক ঠগিব নোৱাৰিলোঁ।" অৱশ্যে এই মন্তব্য কৰা হৈছিল তেওঁ যেতিয়া পুনৰ প্ৰটেষ্টাণ্ট ধৰ্ম্মলৈ আহিল তাৰ পাছত; সম্ভৱ তেওঁ যিমান দিনলৈকে কেথলিক হৈ আছিল তেতিয়ালৈকে কেথলিক পন্থত অনাস্থা দেখুৱা নাছিল।

টিৰ্বৈৰ ধৰ্ম্মানুষ্ঠানৰ পৰা কেইফ্ৰাঙ্কমান ধনেৰে খেদা খাই তেওঁ এক মহিলাৰ অনুচৰ হয়। তিনিমাহ পাছতে মহিলাগৰাকীৰ মৃত্যু হলত ৰুছোৱ হাতত গিৰিহঁতনীৰ মূল্যবান ফিটা এডাল দেখিবলৈ পোৱা যায়। ধৰা পৰিলত ৰুছোৱে ক'লে যে এজনী লিগিৰীয়েহে তেওঁক ফিটাডাল দিছে। ফলত চোৰ সাব্যস্ত হৈ, লিগিৰীজনীয়ে শাস্তি পালে। এই বিষয়ে কৈফিয়ৎ দিছে এইদৰে—"এই মুহূৰ্ত্তত মোৰ মনত দুষ্ট চিন্তা সমূলি নাছিল; মই বেছেৰী ছোৱালীজনীক জগৰীয়া কৰাটো এনেস্থলত বিষম ব্যৱস্থা, কিন্তু তাইৰ প্ৰতি মোৰ মৰম আছিল বুলিয়ে মই তেনে কৰিব পাৰিলোঁ। মই তাইৰ কথা ভাবি আছিলোঁ আৰু যাৰে নাম প্ৰথমে মোৰ মনলৈ আহিল তাৰ

গাতে মই জগৰটো পেলাই দিলোঁ।" অন্তৰৰ নিৰ্দ্দেশ মানি চলা ৰুছোৰ নীতি এই ধৰণেৰে আছিল।

এই ঘটনাৰ পাছত ৰুছোৱে আশ্রয় পালে তেওঁৰ দৰে প্রটেষ্টাণ্ট পন্থ এৰি কেথলিক হোৱা মেডেম্ ড্য ৱাৰাঁৰ ঘৰত। এই আকৰ্ষণীয় মহিলাগৰাকীৰ ধৰ্ম্মত বিশেষ আস্থা আছিল আৰু এই হেতুকে তেওঁ চেভয়ৰ ৰজাৰ পৰা এটি পেঞ্চনো লাভ কৰিছিল। ৰুছোৱে প্রায় বাৰবছৰ এই মহিলাৰ আশ্রয়তে সৰহ সময় কটায়; তেওঁ তেওঁক 'আই' বুলি সম্বোধন কৰিছিল আৰু মহিলাগৰাকী তেওঁৰ ৰক্ষিতা হোৱাৰ পিচতো এই সম্বোধন চলিছিল। কিছুদিন ৰুছোৱে মহিলা-গৰাকীৰ সকলো কাম তদাৰক কৰা মানুহজনৰ সৈতেই তেওঁক লৈ ইন্দ্রিয় চৰিতাৰ্থ কৰিছিল। আটায়ে পৰম প্রীতিৰে বাস কৰিছিল, আৰু সেই সৰ্ব্বকাৰ্য্যেষু মাধৱজনৰ যেতিয়া মৃত্যু হ'ল, তেতিয়া ৰুছোৱে যথেষ্ট শোক পাইছিল। ৰুছোৰ শোক অৱশ্যে পাতলিছিল এই চিন্তাত—"যি হ'ল হ'ল; তাৰ কাপোৰকানিখিনিয়ে মোৰ লাভ।"

এই কালডোখৰত ৰুছোৰ বিবিধৰকমৰ অভিজ্ঞতা লাভ হয়। তেওঁ বহুতো ঠাইত অনাই-বনায়ো ফুৰে। মেডেম্ ড্য ৱাৰাঁই মাজতে দুবছৰমান তেওঁক থাকিবলৈ স্মুকীয়াকৈ ঘৰ এটিও দিছিল। এই ঘৰত তেওঁ দৰ্শন আৰু সাহিত্যৰ যথেষ্ট কিতাপ পঢ়ে। কিন্তু থিত লাগি থকা অভ্যাস ৰুছোৰ প্রকৃতিত নাছিল। তেওঁৰ মনত পেৰিছলৈ গৈ নাট্যকাৰ বা সঙ্গীতজ্ঞহিচাবে খ্যাতি আৰ্জ্জিবলৈ হেঁপাহ উপজিল। তালৈ গৈ তেওঁ কেইবাজনো মানুহৰ চেক্রেটেৰি বা ব্যক্তিগত সহকাৰী হয়। এইদৰে অনাই-বনাই ফুৰোঁতে এবেলি লিয়ঁ চহৰত বন্ধু এজনৰ সৈতে বাটত গৈ থাকোঁতে বন্ধুজন অকস্মাৎ মূৰ্চ্ছা যায়। বাটৰুৱা আন মানুহ ততালিকে তাত গোট খালে, আৰু এই সুযোগতে ৰুছোৱে বন্ধুক এৰি থৈ নাইকিয়া হ'ল। ১৭৪৩ চনত চহকী মহিলা এগৰাকীৰ অনুগ্রহত তেওঁ ভেনিছৰ ফৰাচী দূতজনৰ চেক্রেটেৰি ৰাব লাভ কৰে। এই মাতাল দূতজনে ৰুছোক

খটুৱাই মাৰিলে যদিও দৰমহা দিবলৈ পাহৰিলে। তেওঁৰ লগত খৰিয়াল কৰিবলৈ বাধ্য হৈ ৰুছোৱে ন্যায় বিচাৰি পেৰিছ পালেগৈ। আটায়ে তেওঁৰ ওজৰ মানি ল'লে, কিন্তু তেওঁ ধন হলে নাপালে। এইদৰে বহুদিন গ'ল আৰু ৰুছোৰ মন তিক্ত হ'ল। শেহত যেনিবা তেওঁৰ বাকী থকা দৰমহা দিয়া হ'ল, কিন্তু ৰুছোৰ মনত ফ্ৰাঞ্চৰ চৰকাৰৰ প্ৰতি বিতৃষ্ণা উপজিল।

প্ৰায় এই সময়তে ১৭৪৫ চনত, ৰুছো পেৰিছত যি হোটেলত আছিল সেই হোটেলৰ পৰিচাৰিকা টেৰেজৰ প্ৰতি আকৃষ্ট হয়। তেওঁ টেৰেজৰ লগত থাকিবলৈ লয়। আন আন মাইকী মানুহৰ লগত তেওঁৰ দুই-এটি ঘটনা নঘটিছিল বুলি ক'ব নোৱাৰি যদিও এই আপচু আৰু অলগৰ্দ্ধ তিৰোতাজনীৰ লগতে তেওঁ জীৱনৰ বাকী কালছোৱা কটায়। টেৰেজে লিখা-পঢ়া একো নাজানিছিল ( ৰুছোৱে পিছত তাইক অকল লিখিবলৈ শিকাইছিল ), ধনৰ হিচাব নাজানিছিল, আনকি মাহকেইটাৰ লেখো দিব নোৱাৰিছিল। তাইৰ মাক আছিল ধনৰ খঁকুৱা আৰু তাই ৰুছো আৰু ৰুছোৰ বন্ধুসকলক ভালকৈয়ে খীৱাইছিল। টেৰেজৰ গৰ্ভত ৰুছোৰ পাঁচটি সন্তান ওপজে। এইজনীৰ সম্বন্ধে ৰুছোৱে কয় যে তেওঁৰ হেনো তাইৰ প্ৰতি কণামাত্ৰও বেথা নাছিল আৰু তাই হেনো পিচলৈ মদ খাই ঘোঁৰাৰ চহিচৰ পিচে পিচে দৌৰি ফুৰিছিল। ৰুছোৰ এই আকৰ্ষণৰ ব্যাখ্যা দিবলৈ টান। সম্ভৱ তেওঁ ওপৰখাপৰ বা লাহ-বিলাকৰ গৰিমা থকা মানুহতকৈ সৰল হোজা লোকৰ প্ৰতি বেছি আকৃষ্ট হৈছিল। এইটোও সত্য যে তেওঁ এই বঞ্চিতাজনীক প্ৰায় পত্নীস্বৰূপেই ব্যৱহাৰ কৰিছিল আৰু কোনোবা চহকী আৰু শক্তিশালী মহিলাই তেওঁক অনুগ্ৰহ দেখুৱালেও তেওঁ তাইক অস্বীকাৰ নকৰিছিল। অৱশ্যে আৰু এটি কথা যোগ কৰা যুগুত যে বংশধৰ-কেইটিক ৰুছোৱে অনাথ আশ্ৰমতহে ঠাই দিছিল, সিহঁতক আপডাল কৰিবৰ ধৈৰ্য্য তেওঁৰ নাছিল।

## (৩)

এই কালডোখবত কছোৱে ডিডেৰোৰ আহ্বানত সেই সময়ত তৈয়াৰ হব ধৰা নতুন চিন্তাৰ বাহন বিখ্যাত বিশ্বকোষৰ কাৰণে দুটি-এটি প্ৰবন্ধ যুগুত কৰে; ৰঙ্গনাট, কবিতা আৰু সঙ্গীত ৰচনাতো হাত দিয়ে। সাতত্ৰিশ বছৰ বয়সলৈ তেওঁৰ এইখিনিয়ে অৱদান। ইয়াৰ পিচতে তেওঁৰ খ্যাতি বিয়পি পৰে। ১৭৪৯ চনৰ কথা। এদিন হেমন্ত কালৰ আবেলি বন্দীশালত সোমাই থকা ডিডেৰোক দেখা কৰিবলৈ তেওঁ গৈ আছে, হাতত এখন বাতৰি কাকত। ভাগৰ লাগিলত গছৰ ছাঁত বহি তেওঁ জিৰাইছে। অকস্মাৎ কাকতখনৰ ঘোষণা এটিলৈ তেওঁৰ চকু গ'ল। ডীৰ্ঝৰ একাডেমিয়ে এটি ৰচনা প্ৰতিযোগিতা ঘোষণা কৰিছে, ৰচনাৰ বিষয় হল:—"বিজ্ঞান আৰু কলাৰ পুনৰুজ্জীৱনে নীতি শোধিত কৰিছে নে তাৰ অপকাৰ সাধিছে?" ঘোষণাটিয়ে কছোৰ অন্তৰত এক ৰহস্যবাদী আবেগৰ সঞ্চাৰ কৰিলে, তেওঁৰ মন সহস্ৰ আলোকে পোহৰাই তুলিলে—"ক্ষন্তেকতে মই বিশ্বদৰ্শন কৰিলোঁ, মই বেলেগ মানুহ হলোঁ।"

কছোৱে আবেগৰ আতিশয্যত প্ৰায়ে সীমা পাৰ হৈ যায়, সেইকাৰণে তেওঁৰ ঘটনাবিলাকৰ যি বৰ্ণনা, তাত লবচৰ পায়। এই অভিজ্ঞতাটো ১৭৬২ চনত লিখা চিঠি এখনত তেওঁ এইদৰে বৰ্ণাইছে—"যদি কেতিয়াবা কিবা মোৰ আকস্মিক প্ৰেৰণা যেন লাগিছে, তেনেহলে এই শব্দকেইটি পঢ়োঁতে মোৰ ভিতৰত যি এটি গতি হ'ল সিয়েই সেই আকস্মিক প্ৰেৰণা। ততালিকে মোৰ মন সহস্ৰ আলোকে আৰু উখল-মাখলকৈ খেলি হৈছি অহা এজাক ভাবে ইমান জোৰেৰে ছাঁট মাৰি ধৰিলে যে মই অবৰ্ণনীয় অস্থিৰতা অনুভৱ কৰিলোঁ। সুৰাপানৰ পৰা হোৱা দৰে মোৰ মূৰ আচন্ন্ৰাই কৰিলে আৰু এনে প্ৰবল কম্পনে মোক লম্ভিলে যে…মই গছ এজোপাৰ তলত ধঁাচকৈ পৰি গলোঁ। তাত আধাঘণ্টা মোক

আবেগে ইমানকৈ অভিভূত কৰিলে যে থিয় হৈ মই কব নোৱাৰাকৈ টোকা চকুলোৰ ধাৰে মোৰ কোট তিয়াই পেলোৱা পালোঁ। যদিহে মই সেই গছৰ তলত অনুভৱ কৰা কথাবিলাকৰ চাৰিভাগৰ এভাগো লিখি উলিয়াব পাৰোঁ কিমান প্ৰাঞ্জলভাবে মই আমাৰ সামাজিক ব্যৱস্থাৰ বৈষম্যবিলাক আঙুলিয়াই দেখুৱালোঁহেঁতেন! কি তীব্ৰভাবে মই আমাৰ অনুষ্ঠানবিলাকত থকা অনাচাৰবিলাক মুকলিকৈ দেখুৱালোঁহেঁতেন! কিমান সবলভাবে দেখুৱালোঁহেঁতেন যে মানুহ স্বভাৱতে সৎ আৰু এই অনুষ্ঠানবিলাকৰ জৰিয়তেহে অসৎ হবলৈ পায়।"

ৰুছোৱে ৰচনাখন লিখিলে। ৰচনাত তেওঁ দেখুৱালে বিজ্ঞান, কলা, সাহিত্য আদি সভ্যতাৰ ফল সবলতা আৰু নীতিৰ আটাই-তকৈ প্ৰবল শত্ৰু, কিয়নো অভাৱ সৃষ্টি কৰি ইহঁতেই দাসত্বকো জন্ম দিছে; যি আমেৰিকাৰ অসভ্যবিলাকৰ দৰে নাঙঠ, সিহঁতৰ শৰীৰত শিকলিৰ বান্ধ নপৰে, যিবিলাক 'সভ্য' সিহঁতহে নানান বান্ধৰ মাজত চেপা খাই আছে। সুশীলতা আৰু বিজ্ঞান এই দুটিৰ অহি-নকুল সম্বন্ধ; যিয়ে মানুহক অশিক্ষিত কিন্তু সবল বৰ্ব্বৰজনৰ পৰা আঁতৰাই আনে সিয়ে অনিষ্টকাৰী। ৰচনাখনে প্ৰথম পুৰস্কাৰ পালে (১৭৫০) আৰু ৰুছোৱেও সেইসময়ৰ লিখকবিলাকৰ মাজত সম্মানজনক স্থান লাভ কৰিলে। এজন নতুন ৰুছোৰ আবিৰ্ভাৱ হ'ল। পুৰস্কাৰটো লাভ কৰি আৰু খ্যাতিমান হৈ ৰুছোৱে নিজৰ সিদ্ধান্তমতে জীৱন-নিৰ্ব্বাহ কৰিবলৈ চেষ্টা কৰিলে। তেওঁ নিচেই সাধাৰণভাবে খোৱা-পিন্ধা আৰম্ভ কৰিলে আৰু সময় চাবৰ আৰু দৰ্কাৰ নহব এইবুলি হাতঘড়ীটোও বেচি দিলে।

চাৰিবছৰ পাছত 'মানুহৰ মাজত অসাম্য' এই নামৰ ৰচনাত তেওঁ প্ৰথম ৰচনাখনৰ ভাববিলাক বহলাই ব্যাখ্যা কৰিলে। এইখনত তেওঁ বিশেষকৈ দেখুৱালে যে সেই সময়ৰ সমাজত যি অসাম্য আৰু অন্যায় সি পুৰণি কালৰ সমাজত নাছিল; "মানুহ

স্বভাৱতে সৎ, অনুষ্ঠানবিলাকেহে তেওঁক অসৎ কৰে।" এই তথ্য খ্ৰীষ্টধৰ্ম্মৰ প্ৰতিকূলে গ'ল। সেই সময়ৰ চিন্তাবীৰ কেতবিলাকৰ দৰে ৰুছোৱেও এক 'ষ্টেইট্ অব নেচাৰ' বা 'স্বভাৱৰ ৰাষ্ট্ৰ' কল্পনা কৰিছিল। এইখনৰ অস্তিত্ব যে সভ্যতাৰ জন্মৰ আগেয়ে অসভ্য মানুহৰ মাজত সঁচাকৈয়ে আছিল এনে কথা তেওঁ ডাঠি নকয়, কিন্তু "আমাৰ বৰ্ত্তমান ৰাষ্ট্ৰৰ মূল্যাঙ্কন কৰিবলৈ হ'লে" এনে এখন স্বভাৱতে সৰল লোক থকা, স্বভাৱৰ লগত সম্বন্ধ থকা আইনেৰে শাসিত ৰাষ্ট্ৰৰ বিষয়ে ভাল জ্ঞান থকা যুগুত।

এই ৰচনাখন তেওঁ ভলটেয়েৰলৈ পঠিয়াইছিল। ভলটেয়েৰে মন্তব্য কৰিছিল এইদৰে—"মানবজাতিক জগৰীয়া কৰি ৰচা আপোনাৰ নতুন কিতাপখন পাইছোঁ আৰু তাৰ বাবে শলাগ জনাইছোঁ। আমি আটাইকে জধামূৰ্খ প্ৰমাণ কৰিবলৈ ইমান বুধি আৰু আগেয়ে কোনেও প্ৰয়োগ কৰা নাছিল। আপোনাৰ কিতাপ-খন পঢ়িলে চাৰি ঠেং পাৰি খোজ কাঢ়িবলৈ হেঁপাহ হয়; কিন্তু যোৱা ষাঠিবছৰত অভ্যাসটো নাইকিয়া হোৱাত কামটো অসম্ভৱ ভাবি বেজাৰ পাইছোঁ। কানাডাৰ অসভ্যবিলাকৰ অন্বেষণত মই জাহাজতো উঠিব নোৱাৰোঁ, কিয়নো মোৰ যিবিলাক নৰিয়া তাৰ কাৰণে ইউৰোপীয় ডাক্তৰ এজনৰ প্ৰয়োজন; তাৰ উপৰিও সেই অঞ্চলত এতিয়া ৰণ চলি আছে, আৰু আমাৰ কাৰ্য্যৰ আহিঁয়ে অসভ্যবিলাককো প্ৰায় আমাৰ নিচিনাই অসৎ কৰি তুলিছে।" এই চিঠিৰ পাছত, ৰুছো আৰু ভলটেয়েৰৰ মাজত কিবা যদি সদ্ভাৱ আছিল, সি বেছিদিন নিটিকিল।

তেওঁৰ খ্যাতি দেখিবলৈ পাই জন্মস্থান জেনেভাই তেওঁক আমন্ত্ৰণ জনালে। কিন্তু অকল কেলভিনপন্থী লোকহে সেই ৰাষ্ট্ৰৰ নাগৰি হ'ব পাৰে; সেইকাৰণে তেওঁ আকৌ তেওঁৰ জন্মৰ ধৰ্ম্ম গ্ৰহণ কৰিলে আৰু তাতে বসতি কৰিবলৈ হেঁপাহ কৰিলে। তেওঁৰ দ্বিতীয় ৰচনাখন তেওঁ জেনেভাৰ নগৰ-সভাৰ সভ্যসকলক উছৰ্গা কৰিলে,